Total No. of Printed Pages—4

4 SEM FYUGP MINPSC4

2025

(June)

POLITICAL SCIENCE

(Minor)

Paper : MINPSC4

(Comparative Government and Politics)

Full Marks : 60

Time : 2 hours

The figures in the margin indicate full marks for the questions

1. শুদ্ধ উত্তৰটো বাছি উলিওৱা : 1×6=6

Choose the correct answer :

(a) তুলনামূলক ৰাজনীতিৰ পিতৃ বুলি কাক জনা যায় ?

Who is known as the father of Comparative Politics?

(i) এৰিষ্ট'টল / Aristotle

(ii) প্লেট' / Plato

(iii) চক্ৰেটিছ / Socrates

(iv) মেকিয়াভেল্লি / Machiavelli

(b) একদলীয় ব্যৱস্থা ভাৰত / ইংলেণ্ড / ৰাছিয়া / চীন দেশত আছে।

Single-party system is there in India / England / Russia / China.

(c) আমেৰিকা যুক্তৰাষ্ট্ৰ জনা যায় দ্বিদলীয় প্ৰণালী / একদলীয় প্ৰণালী / বহুদলীয় প্ৰণালী / নিৰ্দলীয় প্ৰণালীৰ বাবে।

USA is known for Biparty system / Single-party system / Multi-party system / No party system.

(d) 'সকলো সংসদৰ মাতৃ' হিচাপে পৰিচিত সংসদ আছে ব্ৰিটেইনত / ভাৰতত / আমেৰিকা যুক্তৰাষ্ট্ৰত / ফ্ৰান্সত।

The 'Mother of all Parliaments' is the Parliament of Britain / India / USA / France.

(e) নিম্নলিখিত দেশসমূহৰ মাজত কোন দেশত বহুত্ববাদী কাৰ্যবাহী (Plural Executive) ব্যৱস্থা গ্ৰহণ কৰিছে?

Which of the following countries possesses a Plural Executive?

(i) আমেৰিকা যুক্তৰাষ্ট্ৰ / USA

(ii) ইংলেণ্ড / UK

(iii) ছুইজাৰলেণ্ড / Switzerland

(iv) ৰাছিয়া / Russia

(f) আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ভাৰতবৰ্ষত সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকল কোনে নিয়োগ কৰে?

In USA and India, judges of the Supreme Court are appointed by

(i) প্ৰধানমন্ত্ৰী / The Prime Minister

(ii) মন্ত্ৰীসভা / The Cabinet

(iii) ৰাষ্ট্ৰপতি / The President

(iv) সংসদ / The Parliament

2. তলত দিয়াবোৰৰ ওপৰত চমু টোকা লিখা (প্ৰতিটো ১৫০ শব্দৰ ভিতৰত) : 3×3=9

Write short notes on the following (**within 150 words** each) :

(a) তুলনামূলক ৰাজনীতিৰ প্ৰাসংগিকতা

The relevance of comparative politics

(b) তুলনামূলক ৰাজনীতিৰ ইউৰোপকেন্দ্ৰিকতা

Eurocentrism in comparative politics

(c) উপনিৱেশবাদৰ বিভিন্ন ৰূপ

Forms of colonialism

3. অধ্যয়নৰ বিষয় হিচাপে তুলনামূলক ৰাজনীতিৰ প্ৰকৃতি আৰু পৰিসৰৰ বিষয়ে সমালোচনামূলক পৰ্যালোচনা আগবঢ়োৱা। 9

Critically examine the nature and scope of comparative politics as a subject of study.

নাইবা / Or

প্ৰতিষ্ঠানবাদ মানে কি? পুৰণি আৰু নব্য প্ৰতিষ্ঠানবাদৰ মাজৰ পাৰ্থক্যসমূহ আলোচনা কৰা। 3+6=9

What is Institutionalism? Distinguish between Old and New Institutionalisms.

4. পুঁজিবাদৰ উৎপত্তি আৰু বিকাশৰ প্ৰক্ৰিয়া ব্যাখ্যা কৰা। 9

Explain the origin and development of capitalism.

নাইবা / Or

সমাজবাদৰ বিকাশত অৰিহণা আগবঢ়োৱা বিভিন্ন কাৰকসমূহৰ বিষয়ে আলোচনা কৰা।

Discuss the various factors that led to the growth of socialism.

5. কুড়ি শতিকাত এছিয়া আৰু আফ্ৰিকাত কিদৰে উপনিৱেশ যুক্তকৰণ প্ৰক্ৰিয়া সংঘটিত হৈছিল, বৰ্ণনা কৰা। 9

Give an account of the process of decolonization in Asia and Africa in the 20th Century.

নাইবা / Or

উপনিৱেশবাদৰ মূল বৈশিষ্ট্যসমূহ আলোচনা কৰা।

Discuss the basic features of colonialism.

6. গ্ৰেট ব্ৰিটেইন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাজনৈতিক অৰ্থনীতিৰ এক তুলনামূলক বিশ্লেষণ আগবঢ়োৱা। 9

Write a comparative analysis of the political economy of Great Britain and the USA.

নাইবা / Or

গ্ৰেট ব্ৰিটেইন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ দলীয় ব্যৱস্থাৰ এক তুলনা কৰা।

Compare the party system of the UK and the USA.

7. ব্ৰাজিলৰ সাংবিধানিক বিকাশৰ বিষয়ে এক টোকা যুগুত কৰা। 9

Write a note on the constitutional development of Brazil.

নাইবা / Or

চীন প্ৰজাতন্ত্ৰৰ সংবিধানৰ মূল দফাসমূহ উল্লেখ কৰা।

Make and attempt to highlight the major provisions of the Constitution of People's Republic of China.

★★★